REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 09-10-2023
Time : 1715 Hrs.

## ASSAMESE EVENING BULLETIN

অসম মাধ্যমিক শিক্ষা পৰিষদে ২০২৪ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সময় সূচী ঘোষণা কৰিছে। পৰিষদে প্ৰকাশ কৰা সময় সূচী অনুসৰি অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চলৈকে এই পৰীক্ষা অনুষ্ঠিত হ'ব। অৱশ্যে মূল পৰীক্ষাৰ পূৰ্বে পৰিষদে অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত ব্যৱহাৰিক পৰীক্ষাসমূহ অনুষ্ঠিত কৰিব। উল্লেখযোগ্য যে পৰিষদে ইতিমধ্যে ঘোষণা কৰা অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথমবাৰৰ বাবে অ' এম আৰ ছীট ব্যৱহাৰ কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক বস্তুধৰ্মী প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে অ' এম আৰ ছীট প্ৰদান কৰা হ'ব। ইংৰাজী, সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু সমাজ বিজ্ঞান বিষয়কেইটাৰ ক্ষেত্ৰত মুঠ ৫০ শতাংশকৈ বস্তুধৰ্মী প্ৰশ্ন থাকিব। একোটা প্ৰশ্নৰ বিপৰীতে এক নম্বৰকৈ থাকিব আৰু এগৰাকী পৰীক্ষাৰ্থীক এখন অ' এম আৰ ছীট প্ৰদান কৰা হ'ব। বাকী ৫০ শতাংশ প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে শিক্ষাৰ্থীসকলক ১৬ পৃষ্ঠাৰ উত্তৰবহী প্ৰদান কৰা হ'ব।  ইফালে ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্তত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীসকলৰ বাবে আজিৰে পৰা অলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ৩১ অক্টোবৰলৈকে অনাইল প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া চলি থাকিব।

০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে আজি পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। এই অনুসৰি মিজোৰাম আৰু ছত্তিশগড় বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন ৭ নৱেম্বৰত, ছত্তিশগড়ৰ দ্বিতীয় পৰ্যায়ৰ আৰু মধ্যপ্ৰদেশৰ নিৰ্বাচন ১৭ নৱেম্বৰত অনুষ্ঠিত হ'ব। একেদৰে ৰাজস্থানত ২৩ নৱেম্বৰত আৰু তেলেংগনাত ৩০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৩ ডিচেম্বৰত আটাইকেইখন ৰাজ্যৰ নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

নতুন দিল্লীত আজি সাংবাদিকৰ আগত মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে চূড়ান্ত বিধানসভা নিৰ্বাচন হিচাপে এই পাঁচখন ৰাজ্যৰ নিৰ্বাচনে বিশেষ তাৎপৰ্য বহন কৰিছে। আয়োগে এই ৰাজ্যকেইখনত মুক্ত, নিকা আৰু প্ৰৰোচনামুক্ত নিৰ্বাচন নিশ্চিত কৰিব বুলি শ্ৰীকুমাৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এই পাঁচখন ৰাজ্যত প্ৰায় ১৬ কোটি ভোটদাতা আছে। ইয়াৰ ভিতৰত প্ৰায় ৬০ লাখ ভোটদাতাই প্ৰথমবাৰৰ বাবে ভোটদান কৰিব। নিৰ্বাচন আয়োগে এই পাঁচখন ৰাজ্য পৰিদৰ্শন কৰি মুখ্য কাৰ্যবাহী বিষয়া, জিলা আৰু ৰাজ্যিক প্ৰশাসন তথা কেইবাটাও কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰৱৰ্তন সংস্থাৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। এই ৰাজ্যকেইখনত ১৭ হাজাৰ ৭৩৪ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। আনহাতে, ৰাজ্যকেইখনৰ মুঠ ৬৭৯ টা বিধানসভা সমষ্টিৰ বাবে ১ লাখ ৭৭ হাজাৰ ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ইয়াৰে ১ লাখ ভোটকেন্দ্ৰত ৱেবকাষ্টিঙৰ সুবিধা থাকিব। ভোটকেন্দ্ৰসমূহত ন্যুনতম সকলো সুবিধা উপলব্ধ হ'ব। মুখ্য নিৰ্বাচনী আয়ুক্তই জনোৱা মতে, মধ্য প্ৰদেশৰ জনজাতীয় লোকসকলৰ বাবে সংৰক্ষিত বনাঞ্চল

এলেকাত ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰায় ১৬ কোটি নিৰ্বাচনী বিষয়া-কৰ্মচাৰী নিয়োজিত কৰা হ'ব।

০০০০০০

মেৰি মাটি মেৰা দেশ কাৰ্যসূচীৰ অধীনত ৰাজ্যখনত অমৃত কলহ যাত্ৰাৰ বিভিন্ন অনুষ্ঠান অব্যাহত আছে। নগাঁও জিলাৰ খাগৰিজান খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত অমৃত কলহ যাত্ৰাৰ এটা অনুষ্ঠানত ৰাজ্যৰ জলসম্পদ আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই বিভিন্ন স্থানৰ পৰা সংগৃহীত মাটিখিনি সংমিশ্ৰণ কৰে। অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা, শশীকান্ত দাস, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহকে ধৰি বিভিন্ন ব্যক্তি উপস্থিত আছিল। মৰিগাঁও জিলাৰ লাহৰিঘাট উন্নয়ন খণ্ডৰ অমৃত কলহ যাত্ৰাৰ কাৰ্যসূচী সম্পন্ন হয়। এই উপলক্ষে লাহৰিঘাট চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ উলিওৱা এটা শোভাযাত্ৰাত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল অংশগ্ৰহণ কৰে।

ধুবুৰী জিলাৰ বিলাসী পাৰা মহকুমাৰ চাপৰ শালকোচা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিভিন্ন পঞ্চায়তৰ পৰা অনা অমৃত কলহবোৰৰ মাটি সংমিশ্ৰণ কৰা হয়। এই অনুষ্ঠানত অসম ৰাজ্যিক বিপনন নিগমৰ অধ্যক্ষ অশোক কুমাৰ সিংহী, জিলা আয়ুক্তকে ধৰি বহু ব্যক্তি উপস্থিত থাকে।

বৰপেটা জিলাত অমৃত কলহ যাত্ৰাৰ খণ্ড উন্নয়ন পৰ্যায়ৰ কাৰ্যসূচী আজি বৰপেটা, ৰূপসী আৰু পকা বেতবাৰী উন্নয়ন খণ্ড কাৰ্যালয়ত অনুষ্ঠিত হয়। এই কাৰ্যসূচীত উন্নয়ন খণ্ডকেইটাত গাঁও পঞ্চায়তৰ পৰা অনা মাটি মিহলাই দুটাকৈ কলহত ভৰোৱা হয়। এই মাটি গুৱাহাটীলৈ প্ৰেৰণ কৰা হ'ব।

০০০০০০

ছিকিমৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৪লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত ১০ জন সেনা জোৱানো আছে। ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা পৰিষদে জনোৱামতে এতিয়ালৈকে ১০৫ জন লোক সন্ধানহীন হৈ আছে। আনহাতে, বৰ্তমানলৈকে বানত আৱদ্ধ হৈ পৰা দুহেজাৰ ৫৬৩ জন লোকক উদ্ধাৰ কৰা হৈছে আৰু ৬ হাজাৰ ৮৪৭ জন লোকে ২৮ টা সাহায্য শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। তিস্তা নদীৰ অৱবাহিকাত বানে ১৪ খন দলং উটুৱাই নিয়াৰ লগতে বানৰ ফলত ৰাজ্যখনৰ ১ হাজাৰ ৩৮১টা গৃহ সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হৈছে। ভাৰতীয় সেনাৰ ত্ৰিশক্তি বাহিনীয়ে সন্ধানহীন লোকসকলৰ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। বাহিনীটোৱে লগতে উত্তৰ ছিকিমৰ লাচেন, লাচুং, থাংগু আৰু চুংথাঙৰ বিভিন্ন অঞ্চলত আৱদ্ধ হৈ ৰোৱা এহেজাৰ ৭০০ গৰাকী পৰ্যটকলৈ সাহায্য আগবঢ়াইছে। পৰ্যটকসকলক খাদ্য, চিকিৎসা আৰু যোগাযোগৰ সুবিধা প্ৰদান কৰা হৈছে। সেনা বাহিনীয়ে পৰ্যটকসকলক সুৰক্ষিত স্থানলৈ স্থানান্তৰ নকৰা পৰ্যন্ত নিৰাপদে ৰাখিবলৈ সকলোধৰণৰ প্ৰচেষ্টা চলাইছে। গৃহ মন্ত্ৰালয়ৰ অধীনৰ আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দলে ৰাজ্যখনত এই প্ৰাকৃতিক দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ বুজ লৈছে। ইফালে, ছিকিমত আবদ্ধ হৈ ৰোৱা অসমৰ ১২৪ গৰাকী শিক্ষাৰ্থী আজি সুকলমে গুৱাহাটীত উপস্থিত হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বিশেষ তৎপৰতাত ৰাজ্যখনৰ বিভিন্ন অঞ্চলত অধ্যয়নৰত অসমৰ শিক্ষাৰ্থীসকলক নিৰাপদে ঘূৰাই অনা হয়।

০০০০০০

সমাপ্ত